# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 06-01-2026
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। উচ্চতম ন্যায়ালয়ে কেন্দ্ৰীয় চৰকাৰ আৰু কৰ্মচাৰী ভৱিষ্য নিধি সংস্থা EPFOক অহা চাৰি মাহৰ ভিতৰত কৰ্মচাৰী ভৱিষ্য নিধি যোজনাৰ অধীনত দৰমহাৰ সৰ্বোচ্চ সীমা সংশোধন সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছে।

২। কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে নতুন দিল্লীৰ বিজ্ঞান ভৱনত আজি পুষ্টি, সুৰক্ষা আৰু অপুষ্টি দূৰীকৰণত কৰ্পোৰেট সামাজিক দায়বদ্ধতাৰ ভূমিকা শীৰ্ষক সন্মিলন মুকলি কৰিব।

৩। জাৰ্মানীৰ চেঞ্চেলৰ ফ্ৰেড্ৰিক মাৰ্জ অহা ১২ আৰু ১৩ জানুৱাৰীত দুদিনীয়া কাৰ্যসূচীৰে ভাৰতলৈ আহিব।

*আৰু*

৪। চলিত বিত্তীয় বৰ্ষৰ প্ৰথম ত্ৰিমাসিকত ভাৰতীয় ৰে'ল মন্ত্ৰালয়ে মুলধনী ব্যয়ৰ ৮০ শতাংশতকৈও অধিক ব্যৱহাৰ কৰিছে।

ooooo

উচ্চতম ন্যায়ালয়ে কেন্দ্ৰীয় চৰকাৰ আৰু কৰ্মচাৰী ভৱিষ্য নিধি সংস্থা EPFOক অহা চাৰি মাহৰ ভিতৰত কৰ্মচাৰী ভৱিষ্য নিধি যোজনা EPFSৰ অধীনত দৰমহাৰ সীমা সংশোধন সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছে। বিগত ১১ বছৰ ধৰি কৰ্মচাৰীসকলৰ বেতন অপৰিৱৰ্তিত হৈ আছে। ন্যায়াধীশ জে কে মাহেশ্বৰী আৰু অতুল এছ্ ছন্দুৰকাৰক লৈ গঠিত এখন বিচাৰপীঠে এখন ৰাজহুৱা স্বাৰ্থজড়িত আৱেদনৰ শুনানি গ্ৰহণ কৰি এই নিৰ্দেশ জাৰি কৰে।

উল্লেখযোগ্য যে, দৰমহাৰ সৰ্বোচ্চ সীমাৰ কোনো পৰিৱৰ্তন নকৰাৰ ফলত শ্ৰমিকসকলৰ এটা বৃহৎ বৰ্গ EPFOৰ বাহিৰত থাকি গৈছে। সামাজিক কল্যাণ আঁচনি EPFSৰ উদ্দেশ্যে হৈছে সংগঠিত খণ্ডৰ কৰ্মচাৰীসকলক সামাজিক সুৰক্ষা প্ৰদান কৰা। সংবিধানৰ ৩২ নম্বৰ দফাৰ অধীনত দাখিল কৰা এই ৰাজহুৱা আৱেদনখনৰ জৰিয়তে প্ৰতি মাহে ১৫ হাজাৰ টকাৰ সৰ্বোচ্চ দৰমহা পক্ষপাতমূলক আৰু অযুক্তিকৰ বুলি কোৱা হৈছিল। দৰমহা বৃদ্ধিৰ লগত মুদ্ৰাস্ফীতি, নূন্যতম বেতন বা প্ৰতি ব্যক্তিৰ আয় বৃদ্ধিৰ সৈতে কোনো সম্বন্ধ নাই বুলিও আৱেদনখনত যুক্তি দিয়া হৈছে।

ooooo

কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে নতুন দিল্লীৰ বিজ্ঞান ভৱনত আজি পুষ্টি, সুৰক্ষা আৰু অপুষ্টি দূৰীকৰণত কৰ্পোৰেট সামাজিক দায়বদ্ধতাৰ ভূমিকা শীৰ্ষক সন্মিলন মুকলি কৰিব। শিশুৰ পুষ্টিহীনতা দূৰ কৰিবলৈ

সহযোগিতামূলক, উদ্ভাৱনীমূলক আৰু বহনক্ষম কৌশলৰ বিষয়ে আলোচনা কৰাই হৈছে এই সন্মিলনৰ মূল উদ্দেশ্যে। ৰাষ্ট্ৰীয় দুগ্ধ উন্নয়ন পৰিষদৰ উদ্যোগত এই সন্মিলনৰ আয়োজন কৰা হৈছে। এই সন্মিলনৰ সময়তে শ্ৰীশ্বাহে দুগ্ধ উপহাৰ কাৰ্যসূচীৰ তৃতীয় সংস্কৰণ মুকলি কৰিব। এই পদক্ষেপৰ অধীনত ছত্তিশগড়ৰ ভিলাই ষ্টীল প্লাণ্টৰ খনন অঞ্চলত অৱস্থিত চৰকাৰী বিদ্যালয়ত অধ্যয়ন কৰা ৪ হাজাৰ শিশু উপকৃত হ'ব। এই কাৰ্যসূচীৰ অধীনত ৰাষ্ট্ৰীয় দুগ্ধ উন্নয়ন পৰিষদৰ দ্বাৰা পৰিচালিত ছত্তিশগড় মিল্ক ফেডাৰেচনৰ জৰিয়তে ভিটামিন-এ আৰু ভিটামিন -ডি যুক্ত বিশেষ গাখীৰ যোগান ধৰা হ'ব। ইয়াৰ উপৰিও কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে IDBI বেংকৰ চি এছ আৰ পদক্ষেপৰ অধীনত শিশু সঞ্জীৱনী কাৰ্যসূচীও মুকলি কৰিব। এই কাৰ্যসূচীয়ে মহাৰাষ্ট্ৰৰ নাগপুৰ জিলাৰ গ্ৰামাঞ্চলৰ অংগনবাড়ী কেন্দ্ৰত অধ্যয়ন কৰা প্ৰায় ৩ হাজাৰ শিশুক পুষ্টিৰ যোগান ধৰিব। এই উপলক্ষে আয়োজিত অনুষ্ঠানত কেন্দ্ৰীয় মীন, পশুপালন দুগ্ধ আৰু পঞ্চায়তীৰাজ মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিং আৰু কেন্দ্ৰীয় মহিলা আৰু শিশু উন্নয়ন মন্ত্ৰী অন্নপূৰ্ণ দেৱীয়ে অংশগ্ৰহণ কৰিব।

০০০০০

জাৰ্মানীৰ চেঞ্চেলৰ ফ্ৰেড্ৰিক মাৰ্জ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আমন্ত্ৰণ মৰ্মে ১২ আৰু ১৩ জানুৱাৰীত ভাৰত ভ্ৰমণলৈ আহিব। চেঞ্চেলৰ মাৰ্জৰ এয়া প্ৰথম ভাৰত ভ্ৰমণ। ভ্ৰমণ কালত চেঞ্চেলৰগৰাকীয়ে আহমেদাবাদ আৰু বেংগালুৰুলৈ যাব বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। ১২ জানুৱাৰীত তেওঁক প্ৰধানমন্ত্ৰীয়ে আহমেদাবাদত আদৰণি জনাব। দুয়োগৰাকীয়ে নেতাই ভাৰত আৰু জাৰ্মানীৰ কৌশলগত সহযোগিতাৰ বিভিন্ন দিশৰ প্ৰগতি সন্দৰ্ভত আলোচনা কৰিব। যোৱা বছৰ উভয় ৰাষ্ট্ৰৰ সহযোগিতামূলক কাৰ্যসূচীয়ে ২৫ বছৰ সম্পূৰ্ণ কৰিলে। দুয়োগৰাকী নেতাই বাণিজ্য আৰু বিনিয়োগ, প্ৰযুক্তি, শিক্ষা, দক্ষতা বিকাশ আৰু জনসাধাৰণৰ মাজত পাৰস্পৰিক সম্বন্ধ, বিজ্ঞান, প্ৰতিৰক্ষা, উদ্ভাৱণ আৰু গৱেষণা, সেউজ আৰু বহনক্ষম বিকাশৰ দৰে গুৰুত্বপূৰ্ণ খণ্ডত সহযোগিতা বৃদ্ধি সম্পৰ্কেও পৰ্যালোচনা কৰিব। প্ৰধানমন্ত্ৰী মোদী আৰু চেঞ্চেলৰ মাৰ্জে বাণিজ্য আৰু উদ্যোগ জগতৰ নেতৃবৰ্গৰ সৈতেও বিভিন্ন আঞ্চলিক আৰু গোলকীয় বিষয় সন্দৰ্ভত মত বিনিময় কৰিব। চেঞ্চেলৰগৰাকীৰ এই ভ্ৰমণে অনাগত সময়ত ভাৰত আৰু জাৰ্মানীৰ সহযোগিতা অধিক সুদৃঢ় কৰাৰ লগতে উভয় ৰাষ্ট্ৰৰ জনসাধাৰণক উপকৃত কৰিব।

০০০০০

চলিত বিত্তীয় বৰ্ষৰ প্ৰথম ত্ৰিমাসিকত ভাৰতীয় ৰে'ল মন্ত্ৰালয়ে মুলধনী ব্যয়ৰ ৮০ শতাংশতকৈও অধিক ব্যৱহাৰ কৰিছে। ৰে'ল মন্ত্ৰালয়ে সদৰি কৰা অনুসৰি ৰে'ল মন্ত্ৰালয়ে বিগত ডিচেম্বৰৰ শেষ ভাগলৈ মুঠ বাজেটৰ সমৰ্থন ২ লাখ ৫২ হাজাৰ ২০০ কোটি টকাৰ ভিতৰত দুই লাখ ৩ হাজাৰ ১৩৮ কোটি টকা ব্যয় কৰিছে। মন্ত্ৰালয়ে লগতে সদৰি কৰিছে যে, যাত্ৰীসকলৰ সুবিধা, আন্তঃগাথনি উন্নীতকৰণ, সক্ষমতা বৃদ্ধি তথা সুৰক্ষা ব্যৱস্থাসমূহকে ধৰি বিভিন্ন গুৰুত্বপূৰ্ণ দিশত এই ধন ব্যয় কৰা হৈছে। এই সন্দৰ্ভত মন্ত্ৰালয়ে ৰে'ল পথৰ দ্বৈতকৰণ, গজলৈ উন্নীতকৰণ, নতুন ৰে'লপথৰ ব্যৱস্থা, ৯৯ শতাংশতকৈ অধিক ব্ৰডগজ লাইলৰ বৈদ্যুতিকীকৰণ, কৱচ স্বয়ংক্ৰিয় ৰে'ল সুৰক্ষা ব্যৱস্থা, ৩০টা অমৃত ভাৰত ৰে'লৰ সুবিধা আৰু ১৬৪ খন বন্দে ভাৰত ৰে'লৰ সুবিধাকে ধৰি ৰে'ল বিভাগৰ বিভিন্ন পদক্ষেপ সম্পৰ্কে আলোকপাত কৰে।

০০০০০

প্ৰধানমন্ত্ৰীৰ সক্ৰিয় প্ৰশাসন আৰু সময়মতে কাৰ্য ৰূপায়ণৰ ধ্বজ্জাবাহী মঞ্চ প্ৰগতিৰ ৫০ সংখ্যক বৈঠকৰ আয়োজন এটা গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি হিচাপে পৰিগণিত হৈছে। ২০১৫ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উদ্বোধন

কৰাৰ পাছৰে পৰা প্ৰগতিৰ জৰিয়তে সময় উপযোগী নিৰীক্ষণ আৰু মূল আন্তঃগাঁথনিমূলক প্ৰকল্প তথা ৰাজহুৱা ওজৰ আপত্তি আদি প্ৰধানমন্ত্ৰীয়ে প্ৰত্যক্ষভাৱে পৰ্যালোচনা কৰাৰ জৰিয়তে প্ৰশাসন ব্যৱস্থাৰ ৰূপান্তৰ ঘটিছে। এই মঞ্চই কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰসমূহ, সমবায় মিত্ৰ আৰু কেন্দ্ৰীয় মন্ত্ৰীসকলক একেখন ডিজিটেল মঞ্চত উপবিষ্ট কৰাইছে। যোৱা এটা দশক ধৰি প্ৰগতিৰ জৰিয়তে সিদ্ধান্ত গ্ৰহণ, মূল আন্তঃগাঁথনিমূলক প্ৰকল্পসমূহৰ ৰূপায়ণৰ ক্ষেত্ৰত দেখা দিয়া বিলম্বৰ সমাধান কৰাৰ লগতে দায়বদ্ধতাৰ এটা শক্তিশালী সংস্কৃতি গঢ়ি তোলা হৈছে। কেৱল পৰ্যবেক্ষণে নহয় এই মঞ্চ প্ৰশাসনৰ সংস্কাৰৰ মঞ্চ হৈ উঠিছে।

00000

**কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে আজি নতুন দিল্লীত কানাড়া, তেলেগু, মালয়ালম আৰু ওড়িয়া ভাষাৰ উৎকৰ্ষতা কেন্দ্ৰই যুগুত কৰা ৪১ খন গ্ৰন্থ উন্মোচন কৰিব। ভাৰতীয় ভাষাৰ কেন্দ্ৰীয় প্ৰতিষ্ঠানৰ অধীনত এই গ্ৰন্থসমূহ সংকলন কৰা হৈছে। এই অনুষ্ঠানত তামিল ভাষাৰ কেন্দ্ৰীয় প্ৰতিষ্ঠান, তিৰুক্কুৰালৰ ৪৫টা খণ্ডৰ সাংকেতিক ভাষাৰ লগতে ১৩খন গ্ৰন্থ মুকলি কৰা হ'ব। সামাজিক মাধ্যমৰ এটা পোষ্টত শিক্ষা মন্ত্ৰালয়ে কয়, যে এই পদক্ষেপে ধ্ৰুপদী ভাষা অধ্যয়নক শক্তিশালী কৰাৰ লগতে ভাৰতৰ সাহিত্যিক ঐতিহ্য সংৰক্ষণৰ ওপৰতো বিশেষ ভূমিকা গ্ৰহণ কৰিছে।**

00000

জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ে নতুন দিল্লীত তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ সৈতে কালি এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। একলব্য আদৰ্শ আৱাসিক বিদ্যালয়সমূহৰ কৰ্পৰেট সামাজিক দায়বদ্ধতাৰ জৰিয়তে সমৰ্থিত আন্তঃগাথনিৰ বিকাশ তথা সক্ষমতা নিৰ্মাণ সুনিশ্চিত কৰাৰ উদ্দেশ্যে এই বুজাবুজি চুক্তি স্বাক্ষৰ কৰা হৈছে। এই অনুষ্ঠানৰ সৈতে সংগতি ৰাখি জনজাতি পৰিক্ৰমা সচিব ৰঞ্জনা চোপ্ৰাই কয় যে, এই চুক্তিৰ জৰিয়তে অ' এন জি চিয়ে জনজাতীয় সম্প্ৰদায়সমূহৰ শিশুসকললৈ গুণগত শিক্ষা আগবঢ়োৱাৰ উদ্দেশ্যে একলব্য আদৰ্শ আৱাসিক বিদ্যালয়সমূহৰ ব্যৱস্থা অধিক শক্তিশালী কৰাৰ লক্ষ্য আগত ৰাখি ২৮ কোটি টকা বৰঙণি দিয়াৰ প্ৰতিশ্ৰুতি দিছে। এই ধনৰাশি জনজাতীয় শিক্ষাৰ্থীসকলৰ বিভিন্ন ক্ষেত্ৰৰ বিকাশৰ বাবে ব্যৱহাৰ কৰা হ'ব।

00000

দুবাৰৰ অলিম্পিক পদক বিজয়ী পি ভি সিন্ধুৱে আজি কুৱালালামপুৰৰ একজিয়াটা এৰেনা ষ্টেডিয়ামত অনুষ্ঠিত মালয়েছিয়া অপেন বেডমিণ্টন প্ৰতিযোগিতা ২০২৬ত অংশগ্ৰহণ কৰিব। মহিলাৰ একক শাখাত মালবিকা মানচোৰ আৰু উন্নতি হুদায়ে ভাগ ল'ব। ইপিনে পুৰুষৰ একক শাখাত লক্ষ্য সেন আৰু আয়ুষ ছেট্টীয়ে ভাগ লোৱাৰ লগতে পুৰুষৰ ডাবলছ শাখাত ছিৰাগ ছেট্টী আৰু সত্বিক ছাইৰাজ ৰণকীৰেড্ডীয়ে ভাৰতৰ হৈ অংশগ্ৰহণ কৰিব। মহিলাৰ ডাবলছ শাখাত তৃষা জল্লী আৰু গায়ত্ৰী গোপীচান্দ প্ৰতিদ্বন্দিতাত অৱতীৰ্ণ হ'ব।

00000

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডঃ এছ জয়শংকৰে ছদিনীয়া কাৰ্যসূচীৰে ফ্ৰান্স ভ্ৰমণ কৰিছে। ডঃ জয়শংকৰে ভ্ৰমণৰ প্ৰথম দিনা কালি পেৰিছত ভাৰত আৰু ফ্ৰান্সৰ মাজৰ গাথা শীৰ্ষক এখন প্ৰদৰ্শনী পৰিদৰ্শন কৰে। এই প্ৰদৰ্শনীয়ে ভাৰতৰ বস্ত্ৰ ঐতিহ্য আৰু সৃজনীশীলতাক প্ৰতিফলিত কৰাৰ লগতে দুয়োখন দেশৰ মাজত থকা শক্তিশালী সাংস্কৃতিক বান্ধোনৰ কথাও সোঁৱৰাই দিছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। উল্লেখযোগ্য যে, এই ভ্ৰমণকালত ডঃ

জয়শংকৰে পেৰিছত ফ্ৰান্সৰ নেতৃস্থানীয় লোকসকলক সাক্ষাৎ কৰাৰ লগতে ফ্ৰান্সৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী জ্যাঁ নৱেল বেৰটৰ সৈতে বৈঠকত মিলিত হ'ব। দুয়োগৰাকী মন্ত্ৰীয়ে ভাৰত - ফ্ৰান্স কৌশলগত অংশীদাৰিত্বৰ অগ্ৰগতিৰ বিষয়ে পৰ্যালোচনা কৰিব। ডঃ জয়শংকৰে লগতে ফ্ৰান্সৰ ৰাষ্ট্ৰদূতসকলৰ সন্মিলনৰ ৩১ সংখ্যক সংস্কৰণত সন্মানীয় অতিথিৰূপে অংশগ্ৰহণ কৰিব। ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত মন্ত্ৰীগৰাকী লাকজেমবাৰ্গলৈ যাব আৰু লাকজেমবাৰ্গৰ উপ প্ৰধানমন্ত্ৰী আৰু  বিদেশ মন্ত্ৰী জেভিয়াৰ বেটেলৰ সৈতে বৈঠকত মিলিত হ'ব। লাকজেমবাৰ্গত থকা ভাৰতীয় সম্প্ৰদায়ৰ সদস্যসকলৰ সৈতেও ডঃ জয়শংকৰে মত বিনিময় কৰিব।

ooooo

**সমাপ্ত**